**Paper Code: UGASDS 601**

**ধ্বনিতত্ত্ব আৰু অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব**

Short Question: 1 mark

১/ বাগ্ধ্বনি কি ?

২/ বৰ্ণ কি ?

৩/ উপধ্বনি কি ?

৪/ বিশিষ্ট ধ্বনি কাক বোলে ?

৫/ আন্তঃৰাষ্ট্ৰীয় ধ্বনিসন্থা (International Phonetic Association) কেতিয়া প্ৰতিষ্ঠা হৈছিল ?

৬/ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ উদ্ভাৱন কেতিয়া হৈছিল ?

৭/ নিয়ত ধ্বনি কাক বোলে ?

৮/ নিয়তাভাস ধ্বনি কাক বোলে ?

৯/ অসমীয়া ভাষাৰ সঘোষ ধ্বনিৰ এটা উদাহৰণ দিয়া।

১০/ উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী ‘ও’ বিশিষ্ট স্বৰধ্বনিটোৰ পৰিচয় দিয়া।

১১/ অসমীয়া ভাষাৰ পাৰ্শ্বিক ধ্বনিৰ উদাহৰণ দিয়া।

১২/ অসমীয়া ভাষাৰ প্ৰান্তীয় সংবৃতৌষ্ঠ্য স্বৰধ্বনি কোনটো ?

১৩/ ”অসমীয়া ভাষাৰ মূল কামৰূপী আৰু সৌমাৰ প্ৰাকৃত” - বুলি কোনে মত আগবঢ়াইছিল ?

১৪/ বঙলা আৰু অসমীয়া ভাষাত থকা ক-বৰ্গীয় পশ্চ তালব্য যিকোনো এটা ধ্বনি লিখা।

১৫/ দেশী ভাষা বুলি কোনটো উপভাষাক কোৱা হয় ?

১৬/ ৰাঢ়, বাৰেন্দ্ৰ কোনটো ভাষাৰ উপভাষা ?

১৭/  অসমীয়া আৰু বাংলা ভাষালৈ মূল  সংস্কৃতৰ পৰা অহা  দ্বিস্বৰ ধ্বনি কেইটা কি কি?

১৮/  উচ্চাৰণৰধৰণ আৰু উচ্চাৰণৰ স্থান অনুসৰি অসমীয়া ভাষাত থকা 'প' ধ্বনিটোক কোন শ্ৰেণীৰ ধ্বনিৰ শাৰীত ধৰা হয়?

১৯/ অসমীয়া 'ই ' স্বৰধ্বনিৰ অন্ত্য প্ৰয়োগ থকা এটা শব্দৰ উদাহৰণ দিয়া?

২০/  অসমীয়া ভাষাত থকা আৰু বাংলা ভাষাত নথকা অৰ্দ্ধবিবৃত্ত স্বৰধ্বনিটো কি?

২১/ উড়িয়া ভাষাৰ স্বৰধ্বনি কেইটা?

২২/ অসমীয়া আৰু বাংলাভাষাত উচ্চাৰণ থকা কিন্তু উড়িয়া ভাষাত   নথকা  অৰ্দ্ধ সংবৃত্ত বিশিষ্ট স্বৰধ্বনিটো কি?

২৩/ অপিনিহিতি কাক বোলে?

২৪/ স্বৰাগম কি?

২৫/ অসমীয়া ভাষাত অৰ্ধস্বৰ কেইটা আৰু কি কি?

চমুটোকা: (6 mark)

১/ বাগিন্দ্ৰিয়

২/ধ্বনি আৰু বৰ্ণৰ পাৰ্থক্য

৩/  বৰ্ণ আৰু উপধ্বনিৰ পাৰ্থক্য

৪/ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি

৫/   বাংলা ভাষাৰ মূৰ্ধণ্য ধ্বনিৰ প্ৰয়োগ

৬/  'অ' স্বৰৰ বিকাশ দেখুওৱা

৭/ 'ই' স্বৰৰ বিকাশ দেখুওৱা

৮/ 'আ' স্বৰৰ বিকাশ দেখুওৱা

৯/  'ক' ব্যঞ্জনৰ বিকাশ দেখুওৱা

১০/  ‘গ’ ব্যঞ্জনৰ বিকাশ দেখুওৱা

১১/  ‘ঙ’ ব্যঞ্জনৰ বিকাশ দেখুওৱা

১২/ বাংলাভাষাৰ স্বৰধ্বনি

১৩/ অসমীয়া ব্যঞ্জন ধ্বনিসমূহৰ প্ৰয়োগ

১৪/  বাংলা আৰু অসমীয়া ভাষাৰ দ্বিস্বৰ ধ্বনি

১৫/  উড়িয়া ভাষাত দন্তমূলীয় ধ্বনিৰ প্ৰয়োগ

১৬/  ধ্বনিলোপ

১৭/ আগম

১৮/ অসমীয়া ভাষাৰ দ্বিস্বৰ

১৯/ অপিনিহিতি

২০/ নিয়ত ধ্বনি

২১/ মূৰ্ধণ্য ধ্বনি

২২/ ঘোষ ধ্বনি

দীঘলীয়া প্ৰশ্নঃ (10 mark)

১/ অসমীয়া আৰু বাংলা ভাষাৰ স্বৰধ্বনি সম্পৰ্কে আলোচনা আগবঢ়োৱা।

২/ ধ্বনিৰ পৰা বৰ্ণ আৰু উপধ্বনিৰ নিৰ্ণয় সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

৩/ ধ্বনিৰ পৰিবেশ আৰু ধ্বনিৰ প্ৰয়োগ সম্পৰ্কে আলোচনা আগবঢ়োৱা।

৪/ ধ্বনি বিজ্ঞানৰ বিভিন্ন শাখা সম্পৰ্কে ব্যাখ্যা আগবঢ়োৱা।

৫/ উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিৰ তালিকা প্ৰস্তুত কৰি বিশ্লেষণ কৰা।

৬/ ওঁঠ আৰু জিভাৰ কলন অনুসৰি অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিৰ এখন তালিকা প্ৰস্তুত কৰা।

৭/ অসমীয়া ভাষাৰ ৰূপধ্বনিগত পৰিৱৰ্তন সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

৮/ অসমীয়া স্বৰবৰ্ণৰ ক্ৰমবিকাশত শ্বাসাঘাতৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

৯/ অসমীয়া ভাষাৰ স্বৰবৰ্ণৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।

১০/ অসমীয়া ভাষাৰ ব্যঞ্জনবৰ্ণৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।

১১/ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ স্বৰধ্বনিৰ এক তুলনামূলক আলোচনা আগবঢ়োৱা।

১২) অসমীয়া আৰু উড়িয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ এক তুলনামূলক আলোচনা আগবঢ়োৱা।

১৩) অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জন ধ্বনিৰ তুলনামূলক আলোচনা আগবঢ়োৱা।

১৪) উড়িয়া ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যৰ আলোচনা কৰা।

১৫) অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য আলোচনা কৰা।

১৬/ বাগ্ধ্বনি উচ্চাৰণত কণ্ঠ স্বৰতন্ত্ৰীৰ ভূমিকা সম্পৰ্কে লিখা।

UG ASDS602

অসমীয়া ব্যাকৰণ

ক) চমু উত্তৰ দিয়া-১

১)পদ কাক বোলে?

২)এটা ক্ৰিয়া পদৰ উদাহৰণ দিয়া।

৩)এটা অব্যয় পদৰ উদাহৰণ দিয়া।

৪)বহুবচন সৃষ্টি কৰা এটা প্ৰত্যয় লিখা।

৫)লিংগ ৰূপান্তৰৰ বাবে যোগ কৰা এটা প্ৰত্যয় লিখা।

৬)মধ্যম পুৰুষৰ উদাহৰণ দিয়া।

৭)বহুব্ৰীহি সমাস কাক বোলে?

৮)লিংগ অনুসৰি ৰূপৰ পাৰ্থক্য কেনেদৰে হয় এটা উদাহৰণ দিয়া।

৯)পদৰ ৰূপগত পাৰ্থক্য কিয় হয়?

১০)সব্যয় পদৰ ৰূপ সলনি হয়নে?

১১) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা এটা উপাহিত বৰ্ণৰ নাম লিখা।

১২) অসমীয়া ভাষাত  নাসিক্য ধ্বনি কেইটা?

১৩) গাঁও শব্দটোত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ হোৱা কাৰণটো লিখা।

১৪) অসমীয়া ভাষাৰ অ' বিশিষ্ট স্বৰধ্বনি থকা এটা শব্দৰ উদাহৰণ দিয়া।

১৫) বৈঠা শব্দটো ব'ঠা হোৱাৰ কাৰণ লিখা।

১৬) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা পূৰ্ণ যতি চিহ্নটো কি?

১৭) চেমিক'লন কেতিয়া ব্যৱহাৰ কৰা হয়?

১৮) 'কৃপণ' শব্দটোত মূৰ্ধন্য ণ হোৱাৰ বিধি লিখা।

১৯) 'কৃষি' শব্দটোত প্ৰয়োগ হোৱা ষত্ব বিধিৰ বিষয়ে লিখা।

২০) অসমীয়া ভাষাৰ এটা অনুনাসিক ধ্বনিৰ চিহ্ন কি?

২১)বাক্য তত্ত্বৰ ইংৰাজী প্ৰতিশব্দ কি ?

২২) কৰ্তা +ক্ৰিয়া + কৰ্ম এইটো কি ভাষাৰ বাক্য গঠন প্ৰক্ৰিয়া।

২৩)কৰ্তা +কৰ্ম + ক্ৰিয়া এই বাক্যটো কি ভাষাৰ গঠন প্ৰক্ৰিয়া।

২৪)বাক্য স্তৰৰ নিম্নতম একক বা গোট কি?

২৫)বাক্যৰ গাঠনিক দিশৰ পৰা কেইটা ভাগত ভাগ কৰিব পাৰি ?

২৬) এটা ক্ৰিয়াহীন বাক্যৰ উদাহৰণ দিয়া।

২৭)ভাষাবিজ্ঞান উপক্ৰমণিকা গ্ৰনহখনৰ লেখক কোন ?

২৮) বাক্যত ব্যৱহিত পদবোৰৰ পাৰস্পৰিক সংগতি আৰু ক্ৰম অনুসৰি কেইটা ভাগত ভাগ কৰিব পাৰি।

২৯) এটা সৰল বাক্যৰ উদাহৰণ দিয়া।

৩০) কৰ্ম ভাববাচ্যৰ বাক্যৰ এটা উদাহৰণ দিয়া।

৩১)এটা সৰ্বনাম পদৰ উদাহৰণ দিয়া।

৩২)অব্যয় বুলিলে কি বুজা?

৩৩)সব্যয় বুলিলে কি বুজা?

৩৪)প্ৰত্যয়ৰ যোগত স্ত্ৰী লিংগ পদ সাধনৰ এটা নিয়ম লিখা।

৩৫)অসমীয়া ভাষাত বহুবচন গঠন কৰাৰ এটা নিয়ম লিখা।

৩৬)অসমীয়া ভাষাত একবচন গঠন কৰাৰ এটা নিয়ম লিখা।

খ)চমুটোকা লিখা-৬

১)লিংগ

২)বচন

৩)পুৰুষ

৪)সমাস

৫)পদৰ ৰূপগত পাৰ্থক্য

৬) অনুনাসিকতা

৭) অসমীয়া ভাষাত কমা যতি চিহ্ন ব্যৱহাৰৰ নিয়ম।

৮) অসমীয়া ভাষাত ঊৰ্ধ কমাৰ প্ৰয়োগ ।

৯)অসমীয়া ভাষাত চেমিক'লনৰ ব্যৱহাৰ।

১০)বাক্যৰ উপাদান

১১) ক্রিয়াপদ

১২)বাচ্য অনুসৰি বাক্যৰ শ্রণীবিভাজন

১৩) আকাংক্ষা

১৪)বিশেষ্য

১৫)বিশেষণ
১৬)অব্যয়

১৭) তলত উল্লেখিত দফাটোত যতি চিহ্নৰ ব্যৱহাৰ কৰি শুদ্ধ ৰূপত উপস্থাপন কৰা-

বেজবৰুৱাই কিন্তু ভাষাৰ যাদুকৰ হিচাপে ভাষাৰ প্রায় তিনিটামান স্তৰত বিচৰণ কৰিছিল " তত্ত্ব কথা" সি গৰাকী শিল্পী; কৃপাবৰী সাহিত্যমুঠি একেগৰাকী লেখকেই ৰাইজৰ চোতালৰ মানুহ; আৰু 'মোৰ জীৱন সোৱৰণখন'ত সি গৰাকীৰ ভাষা ভৱিষ্যতলৈ থৈ যোৱা চানেকি-পুথিৰ অসমীয়া-
যেনিবা সিধাই সোণাৰিয়ে নিয়াৰিত থৈ সাজি দিয়া থুৰি বাটিটো য'ত অসমীয়া মানূহৰ সকলো ধৰণৰ ভাব না ধাৰণা গুৰু-চণ্ডালীৰ ছাঁ নপৰাকৈ টুকি থ'ব পাৰে

গ)দীঘল প্রশ্ন -১০

১)পদৰ শ্রেণী বিভাজন সম্পর্কে এক আলোচনা যুগুত কৰা।

২)লিংগৰ সংজ্ঞা দিয়া। লিংগ পৰিৱৰ্তনৰ নিয়মসমূহ আলোচনা কৰা।

৩)বচন কাক বোলে? অসমীয়া ভাষাত বহুবচন গঠন কৰাৰ নিয়মসমূহ উল্লেখ কৰা।

৪)সমাস কাক বোলে? সমাসৰ শ্রেণী বিভাজন সম্পর্কে আলোচনা কৰা।

৫) অসমীয়া ভাষাৰ চন্দ্রবিন্দুৰ প্রয়োগ বিধি সম্পর্কে উদাহৰণসহ আলোচনা আগবঢ়োৱা।

৬) অসমীয়া ভাষাত যতি চিহ্নৰ প্রয়োগ সম্পর্কে এটি টোকা যুগুত কৰা।

৭) ণত্ববিধি আৰু ষত্ব বিধিৰ নিয়মসমূহ আলোচনা কৰা।

৮)বাক্য বুলিলে কি বুজা ? বাক্যৰ শ্রেণীবিভাজন সম্পর্কে আলোচনা কৰা।

৯)বাক্যত পদ সংস্হাপনৰ ৰীতিৰ বিষয়ে আলোচনা কৰা।

১০) অসমীয়া বাক্যৰ গঠন সম্পর্কে আলোচনা আগবঢ়োৱা।

১১)বচন কাক বোলে? অসমীয়া ভাষাত একবচন গঠন কৰাৰ নিয়মসমূহ উল্লেখ কৰা।

১২) অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ প্ৰয়োগবিধি সম্পৰ্কে আলোচনা কৰা।

**Course Code: UGASDS 603**
**DSC**
**অসমীয়া গদ্য**
(Assamese Prose)
6th Semester
Total- 4 Credits

**চমু প্ৰশ্ন------১**
**প্ৰথম আৰু দ্বিতীয় গোটঃ**

১। কথা-ভাগৱৰ  বক্তা আৰু শ্ৰোতা কোন ?

২। কথা-ভাগৱতৰ নিৰ্বাচিত পাঠটো কাৰ প্ৰশ্ন-উত্তৰৰ মাজেৰে আগবাঢ়িছে ?

৩। কথা-ভাগৱতৰ নিৰ্বাচিত পাঠত উল্লেখ থকা অনুসৰি 'তিনি তাপ' কি কি ?

৪। গোবিন্দ গৰমলি কোন ?

৫। গোবিন্দ গৰমলিয়ে  শংকৰদেৱক কোন ঠাইত লগ পাইছিল?

৬। গুৰু-চৰিত কথাৰ  নিৰ্বাচিত পাঠত কীৰ্ত্তন ঘোষাৰ কোনটো পাঠৰ উল্লেখ আছে ?

৭। গুৰু-চৰিত কথাৰ  সম্পাদক কোন ?

৮। "শ্ৰীযুত ব্ৰাওন চাহাবৰ পত্ৰ"  পাঠৰ আৰম্ভতে উল্লেখ থকা ব্যক্তি দুজনৰ নাম কি ?

৯। "শ্ৰীযুত ব্ৰাওন চাহাবৰ পত্ৰ" পাঠটোৰ পত্ৰখন কোনে কালৈ লিখিছে ?

১০। 'আভাস' পাঠটোৰ ৰচক কোন ?

১১। অৰুনোদই যুগৰ গদ্যৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য উল্লেখ কৰা।

১২। হেমচন্দ্ৰ বৰুৱাৰ ব্যংগ গদ্যৰ বিশেষত্ব উল্লেখ কৰা।

১৩। 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত'ৰ ৰচক কোন ?

১৪। কথা-ভাগৱৰ  বক্তা আৰু শ্ৰোতা কোন ?

১৫। কথা-ভাগৱতৰ নিৰ্বাচিত পাঠটো কাৰ প্ৰশ্ন-উত্তৰৰ মাজেৰে আগবাঢ়িছে ?

১৬। কথা-ভাগৱতৰ নিৰ্বাচিত পাঠত উল্লেখ থকা অনুসৰি 'তিনি তাপ' কি কি ?

১৭। গোবিন্দ গৰমলি কোন ?

১৮। গোবিন্দ গৰমলিয়ে  শংকৰদেৱক কোন ঠাইত লগ পাইছিল?

১৯। গুৰু-চৰিত কথাৰ  নিৰ্বাচিত পাঠত কীৰ্ত্তন ঘোষাৰ কোনটো পাঠৰ উল্লেখ আছে ?

২০। গুৰু-চৰিত কথাৰ  সম্পাদক কোন ?

২১। "শ্ৰীযুত ব্ৰাওন চাহাবৰ পত্ৰ"  পাঠৰ আৰম্ভতে উল্লেখ থকা ব্যক্তি দুজনৰ নাম কি ?

২২।"শ্ৰীযুত ব্ৰাওন চাহাবৰ পত্ৰ" পাঠটোৰ পত্ৰখন কোনে কালৈ লিখিছে ?

২৩। 'আভাস' পাঠটোৰ ৰচক কোন ?

২৪। অৰুনোদই যুগৰ গদ্যৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য উল্লেখ কৰা।

২৫। হেমচন্দ্ৰ বৰুৱাৰ ব্যংগ গদ্যৰ বিশেষত্ব উল্লেখ কৰা।

২৬। ‘আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত’ৰ ৰচক কোন ?

## তৃতীয় আৰু চতুৰ্থ গোটঃ

১। তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত ‘ উৎসাহ’ পাঠটোৰ ৰচক কোন ?

২। ‘উৎসাহ’ পাঠটো সত্যনাথ বৰাৰ কোনখন পুথিৰ অন্তৰ্গত ?

৩। উৎসাহ ক'ৰ  পৰা ওপজে ?

৪। সত্যনাথ বৰাৰ গদ্যৰ এটা বৈশিষ্ট্য লিখা।

৫। ‘কৃপাবৰ বৰবৰুৱা’ কাৰ ছদ্মনাম ?

৬। ‘ভাৰত উদ্ধাৰ’ পাঠটো লক্ষ্মীনাথ বেজবৰুৱাৰ কোনখন পুথিৰ পৰা লোৱা হৈছে  ?

৭। বৰবৰুৱাৰ বৰপেৰাৰ ভিতৰত ভাৰত উদ্ধাৰৰ কেইটা প্লেন আছে ?

৮। লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰ  এটা বৈশিষ্ট্য লিখা।

৯। ‘তুমি’ কাব্যৰ লিখক কোন ?

১০। অম্বিকাগিৰী ৰায়চৌধুৰীৰ গদ্যৰ এটা বৈশিষ্ট্য লিখা ?

১১। অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কোন স্কুলত পঢ়িছিল ?

১২। "ব্যক্তিপ্ৰেমতকৈ দেশপ্ৰেম মহীয়ান" এই কথাষাৰি কোনটো পাঠত আছে ?

১৩। ‘কবিৰ অহৈতুকী প্ৰীতি’ পাঠটো বাণীকান্ত কাকতিৰ কোনখন পুথিৰ অন্তৰ্গত ?

১৪। বাণীকান্ত কাকতিৰ গদ্যৰ এটা বৈশিষ্ট্য লিখা।

১৫। ডাণ্টেৰ প্ৰেয়সীৰ নাম কি ?

১৬। ‘কবিৰ অহৈতুকী প্ৰীতি’ পাঠটো কাৰ প্ৰসংগৰে আৰম্ভ হৈছে ?

১৭। যজ্ঞেশ্বৰ শৰ্মাৰ গদ্যৰ এটা বৈশিষ্ট্য লিখা।

১৮। যজ্ঞেশ্বৰ শৰ্মাৰ পৰিয়াল কোন সত্ৰৰ শিষ্য ?

১৯। তিতাবৰ অঞ্চলটো আগতে কি নামেৰে প্ৰখ্যাত আছিল ?

২০। চোমনিৰ মাজেদি পাঠটোৰ লেখক কোন ?

২১। ৰুছো কোন ?

২২। ‘স্বীকাৰোক্তি’ নামৰ ৰচনাখন কোন গৰাকী বিখ্যাত লেখকৰ ?

২৩। হোমেন বৰগোহাঞিৰ গদ্যৰ এটা বৈশিষ্ট্য লিখা।

২৪। ভৰতমুনিৰ মতে ৰস কেই প্ৰকাৰৰ আৰু কি কি?

২৫। 'ৰতি' ভাবৰ পৰা কি ৰস সৃষ্টি হয়?

২৬। সঞ্চাৰী ভাব কাক বোলে?

২৭। সঞ্চাৰী ভাব কেই প্ৰকাৰৰ উল্লেখ কৰি দুটা উদাহৰন দিয়া?

২৮। স্থায়ীভাব ৰসাৱস্থাত কিদৰে পৰিণত  হয়?

২৯। শংকৰদেৱৰ কোন দুখন নাটকত শৃংগাৰ ৰসৰ প্ৰাধান্য থকা দেখা যায়?

৩০। 'সাহিত্যদৰ্পন' গ্ৰন্থৰ ৰচক কোন?

৩১। গৌড়ীয় বৈষ্ণৱ আলংকাৰিকসকলে ভক্তিপ্ৰধান নাটৰ ৰস বিচাৰ কৰিবলৈ 'ৰতি' শব্দৰ অৰ্থ কিদৰে নিষ্পন্ন কৰিছে?

৩২। 'প্ৰিয় বস্তুৰ প্ৰতি মানৱ মনৰ সহজ অনুৰাগেই ৰতি'---উক্তিটো কাৰ?

৩৩। ভক্তিৰস কেই প্ৰকাৰৰ আৰু কি কি ?

৩৪। কটন কলেজৰ চাৰিটা ঋতু পাঠটোৰ লেখক কোন ?

৩৫। কটন কলেজ কোনে উদ্বোধন কৰিছিল ?

৩৬। কিমান চনত কটন কলেজ উদ্বোধন হৈছিল ?

৩৭। নীলমণি ফুকন কিমান চনত কটনৰ ছাত্ৰ আছিল ?

৩৮। নীলমণি ফুকনৰ গদ্যৰ এটা বিশেষত্ব লিখা।

৩৯। কে'ম্ব্ৰিজৰ শিক্ষাব্যৱস্থা আৰু শিক্ষানুষ্ঠান পাঠটো গদ্যকাৰৰ কোনখন পুথিৰ পৰা লোৱা হৈছে ?

৪০। কে'ম্ব্ৰিজৰ শিক্ষাদানৰ মূল ভেঁটি কি ?

৪১। কে'ম্ব্ৰিজ বিশ্ববিদ্যালয় ক'ত অৱস্থিত ?

৪২। কে'ম্ব্ৰিজ বিশ্ববিদ্যালয়খন কিমানখন কলেজৰ সমষ্টি ?

**চমুটোকা লিখা------- ৬**

**প্ৰথম আৰু দ্বিতীয় গোটঃ**

ক। কথা-ভাগৱত জনপ্ৰিয় নোহোৱাৰ কাৰণ

খ। গদ্যৰ শ্ৰেণীবিভাজন

গ। গদ্যৰ বৈশিষ্ট্য

ঘ। কথা-ভাগৱৰ গদ্যৰ বৈশিষ্ট্য

ঙ। গুৰু-চৰিত কথাৰ গদ্য শৈলীৰ বৈশিষ্ট্য

চ। "চবিশ তত্ত্বৰ স্তুতি" পাঠৰ মূল কথাখিনি লিখা

ছ। আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ বৈশিষ্ট্য

জ। হেমচন্দ্ৰ বৰুৱাৰ ব্যংগ গদ্য

## তৃতীয় আৰু চতুৰ্থ গোটঃ

১। গদ্যকাৰ সত্যনাথ বৰা

২। লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যংগ গদ্য

৩। অম্বিকাগিৰী ৰায়চৌধুৰীৰ গদ্যৰ বৈশিষ্ট্য

৪। উৎসাহ পাঠৰ মূল বাৰ্তা

৫। গদ্যকাৰ সত্যেন্দ্ৰনাথ শৰ্মা

৬। গদ্যকাৰ বাণীকান্ত কাকতি

৭। নীলমণি ফুকনৰ গদ্য

৮। হোমেন বৰগোহাঞিৰ গদ্য

৯। হীৰেন গোহাঁইৰ গদ্য

১০। কটন কলেজ

১১। কে'ম্ব্ৰিজৰ শিক্ষা ব্যৱস্থা

## দীঘল প্ৰশ্নৰ উত্তৰ দিয়া —- ১০

প্ৰথম আৰু দ্বিতীয় গোটঃ

ক। 'গুৰু-চৰিত কথা'ৰ নিৰ্বাচিত পাঠৰ মাজেৰে বৈষ্ণৱ ধৰ্মৰ কোনবোৰ দিশৰ প্ৰতিফলন ঘটিছে ?

খ। "শ্ৰীযুত ব্ৰাওন চাহাবৰ পত্ৰ" আৰু "আভাস" পাঠৰ কথাখিনি নিজৰ ভাষাত লিখা।

গ। আনন্দৰাম ঢেকিয়াল ফুকনে "ইংলণ্ডৰ বিৱৰণ" পাঠৰ মাজেৰে অসমীয়া জাতিক ক কি উপদেশ দিছে আলোচনা কৰা।

ঘ। হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৱী'ৰ নিৰ্বাচিত পাঠৰ মাজেৰে সমসাময়িক সমাজৰ কোনবোৰ দিশ উন্মোচিত হৈছে আলোচনা কৰা।

**তৃতীয় আৰু চতুৰ্থ গোটঃ**

১। 'উৎসাহ' পাঠটোৰ মূল কথাখিনি আলোচনা কৰা ।

২। 'ভাৰত উদ্ধাৰ' পাঠটিৰ মূল কথাখিনি বহলাই লিখা ।

৩।'তুমিৰ উৎস' পাঠটোৰ মাজেৰে অম্বিকাগিৰী ৰায়চৌধুৰীৰ গদ্যৰ বৈশিষ্ট্য লিখা।

৪। অংকীয়া নাটৰ ৰস সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

৫। কটন কলেজৰ চাৰিটা ঋতু পাঠটোৰ মূল কথাখিনি আলোচনা কৰা।

৬। চোমনিৰ মাজেদি পাঠটোৰ মূল কথাখিনি আলোচনা কৰা।

৭। যৌবনৰ অপচয় পাঠটোৰ মাজেদি গদ্যকাৰে কোনবোৰ দিশত গুৰুত্ব দিছে আলোচনা কৰা।

৮। কে'ম্ব্ৰিজৰ শিক্ষাব্যৱস্থা সম্পৰ্কে পাঠৰ আধাৰত বিশ্লেষণ কৰা ।

# UGASDS604

## Course Name : লোক সংস্কৃতি অধ্যয়ন

১ নম্বৰৰ প্ৰশ্ন (৪০টা) ( প্ৰতিটো ১ নম্বৰ)

1. লোকসংস্কৃতিৰ অন্যতম প্ৰধান বৈশিষ্ট্য কি?
2. অসমৰ বিহুগীত কোন শ্ৰেণীৰ লোকসাহিত্যৰ অন্তৰ্গত?
3. লোক-সংস্কৃতি কাক বোলে
4. ৰিচাৰ্ড এম. ডৰচনে লোক-সংস্কৃতিক কেইটা ভাগত ভাগ কৰিছে
5. লোকগীতক প্ৰধানতঃ কেইটা ভাগত ভাগ কৰা হয়?
6. “মহাভাৰত” লোকসমাজত কেনেদৰে প্ৰচাৰিত হৈছিল?
7. দেওধনী নৃত্য কোন সম্প্ৰদায়ৰ লোকনৃত্য?
8. জন্মৰ লগত জড়িত এটা লোকপ্ৰথা লিখা।
9. এটা সাঁথৰ লিখা।
10. লোক-সংস্কৃতিৰ এটি বৈশিষ্ট্য উল্লেখ কৰা।
11. ব’হাগ বিহুৰ প্ৰথম দিনটোক কি বোলা হয়?
12. “লোকসংস্কৃতি” শব্দটোৰ ইংৰাজী কি?
13. মৌখিক সাহিত্য কাক বোলে
14. বিয়ানাম কোন শ্ৰেণীৰ সাহিত্য
15. বিহুনাম কোন শ্ৰেণীৰ সাহিত্য
16. কোন গৱেষকে “লোকসংস্কৃতি” শব্দটো প্ৰথম ব্যৱহাৰ কৰিছিল?
17. এটা খিচাগীত লিখা।
18. “টোকাৰী গীত” অসমৰ কোন ঠাইৰ লোকগীত?

19. নাঙেলী গীত কোন অঞ্চলত প্ৰচলিত

20. লোককথাৰ প্ৰধান ভাগ কেইটা কি কি?

21. "ডেকা চাং" অসমৰ কোন সম্প্ৰদায়ৰ মাজত প্ৰচলিত আছে?

22. থিয় নাম অসমৰ কোন জিলাত বেছি জনিপ্ৰয়

23. অসমৰ "নাঙেলী গীত" কোন অঞ্চলত গোৱা হয়?

24. লোকনৃত্য "বাগৰুম্বা" কোন জনজাতিৰ?

25. লোক- উৎসৱৰ এটা উদাহৰণ দিয়া।

26. "মাইহাং বাতি মানে কি

27. ভৌতিক সংস্কৃতি কাক বোলে

28. লোকসংস্কৃতিৰ অধ্যয়নক প্ৰধানতঃ কি নামেৰে জনা যায়?

29. "গৰু বিহু" কেতিয়া পালন কৰা হয়?

30. "মৃৎ" লোকশিল্প কি বস্তুৰ ওপৰত নিৰ্ভৰশীল?

31. "ডাহিনী" শব্দটোৰ অৰ্থ কি (লোকবিশ্বাসত)?

32. তিৱা জনগোষ্ঠীৰ লোক নৃত্য এবিধৰ নাম লিখা

33. লোকসংস্কৃতি সংৰক্ষণৰ বাবে অসম চৰকাৰৰ এখন প্ৰতিষ্ঠানৰ নাম লিখা।

34. এবিধ লোক পৰিৱেশ্য কলাৰ নাম লিখা।

35. নবীনচন্দ্ৰ শৰ্মাই লিখা লোক-সংস্কৃতি বিষয়ক এখন গ্ৰন্থৰ নাম লিখা।

36. "সোণাৰি" সম্প্ৰদায়ৰ লোকবৃত্তি কি?

37. " হাইদাং গীত" কোন উপলক্ষত গোৱা হয়?

38. লোকনাট্যৰ এটা উদাহৰণ দিয়া।

39. "মিচিং পঃৰাগ" উৎসৱৰ লগত জড়িত নৃত্য কি?

40. এগৰাকী অসমৰ লোক-সংস্কৃতিবিদৰ নাম লিখা

৪১. লোক সংস্কৃতিৰ ক্ষেত্ৰত Folklore শব্দটো প্ৰথমে কোনে প্ৰয়োগ কৰিছিল

42. লোকসংস্কৃতিৰ অৰ্থ-

ক) চৰকাৰী সংস্কৃতি

খ) সাধাৰণ মানুহৰ সামাজিক আচৰণ আৰু পৰম্পৰা

গ)শিল্পকলাৰ আধুনিকীকৰণ

ঘ) সাহিত্যৰ ৰাষ্ট্ৰীয় ৰূপ

৪৩.কোনটো পৰিসৰ লোকসংস্কৃতিৰ অংশ নহয়?

ক) নাওখেলৰ গীত

খ) চৰকাৰী নীতি

গ) পৰম্পৰাগত নাচ

ঙ) লোককথা

৪৪. লোকসংস্কৃতিৰ অধ্যয়নৰে কি উদ্দেশ্য থাকে?

ক) পুৰণি কাহিনী সংৰক্ষণ কৰা

খ) নৱীন সংস্কৃতিৰ বিকাশ

গ) লোকসংস্কৃতিৰ পৰম্পৰা আৰু ইতিহাসৰ সমীক্ষা

ঘ) ৰাজনৈতিক ক্ষমতা বৃদ্ধি

৪৫. মুৰং ঘৰ কি?

৪৬. লোকগীতৰ মূল বৈশিষ্ট্য কি?

ক) আধুনিক ভাষাত ৰচিত

খ) স্থানীয় ভাষাত ৰচিত আৰু পৰম্পৰাগত সংগীতৰ সৈতে সম্পৰ্কিত

গ) বিশ্বজনীন ভাষাৰ ব্যৱহাৰ

ঘ) উচ্চ-মানৰ সঙ্গীত তত্ত্বৰ ওপৰত নিৰ্ভৰ কৰে

৪৭. লোকনৃত্যৰ এক উদাহৰণ লিখা।

৪৮. লোকসংস্কৃতিৰ অধ্যয়ন কোনে প্ৰথমে আৰম্ভ কৰিছিল?

৪৯. লোকসংস্কৃতিত প্ৰধানকৈ কিহৰ প্ৰভাৱ পৰে?

ক) পুঁজিবাদী চাৰা

খ) গ্ৰাম্য সমাজ

গ) পৰম্পৰাৰ সামাজিক প্ৰবৃত্তি আৰু বিশ্বাস

ঘ) ৰাজতন্ত্ৰ

৫০.লোকসংস্কৃতি”ৰ অধ্যয়নে কিহৰ সৈতে সম্পৰ্কিত ?

ক) আধুনিক বিজ্ঞান

খ) সাংস্কৃতিক আৰু আঞ্চলিক পৰম্পৰা

গ) সমাজৰ অৰ্থনীতি

ঘ) আন্তৰ্জাতিক বাণিজ্য

চমু টোকা ( প্ৰতিটো ৬ নম্বৰকৈ)

1. লোকসংস্কৃতি আৰু জনজাতীয় সংস্কৃতিৰ মাজৰ পাৰ্থক্য
2. অসমৰ বিহুগীতৰ সামাজিক আৰু ধৰ্মীয় দিশ
3. লীলা গগৈ অসমৰ লোকসংস্কৃতিলৈ অৰদান
4. লোকসংস্কৃতিৰ প্ৰকাৰভেদ
5. অসমৰ দেওধনী নৃত্যৰ বৈশিষ্ট্য আৰু পূজাৰ ৰীতি
6. বিহুৰ লগত জড়িত লোকবিশ্বাস
7. লোক-সংস্কৃতিৰ বৈশিষ্ট্য
8. সাধুকথা
9. নবীনচন্দ্ৰ শৰ্মাৰ অসমীয়া লোকসংস্কৃতিলৈ অৰদান
10. সাঁথৰ
11. অসমৰ পূজা-পাৰ্বণত ব্যৱহৃত লোকবাদ্য “খোল”, “তাল”, “ডবা”ৰ ভূমিকা
12. অসমীয়া সমাজত তামোল পাণ
13. বড়ো জনগোষ্ঠীৰ “গৰু বিহু” বা “বাইছাগু”
14. যাত্ৰাৰ লগত জড়িত লোক-বিশ্বাস

15. ভোতিক সংস্কৃতি

16. অসমৰ “বিয়ানাম” ৰ তাৎপৰ্য

17. ওজাপালি

18. বিবাহ সম্পৰ্কে অসমীয়া লোকাচাৰত থকা বিশ্বাস লিখা।

19. পুতলা নাচ

20. লোকগীত

২১. বিহু

২২. পুতলা নাচ

২৩. ভঠেলী

২৪. কুকুৰা যুঁজ

২৫. নাওখেল

২৬. ঐতিহাসিক ভৌগোলিক গঠন পদ্ধতি

২৭.আদৰ্শগত পদ্ধতি

২৮.আন্তঃ সাংস্কৃতিক পদ্ধতি

২৯. গোলাৰ্ধিক পদ্ধতি

৩০. প্ৰসংগ প্ৰণালী

দীঘল প্ৰশ্ন (প্ৰতিটো ১০ নম্বৰকৈ)

1. লোকসংস্কৃতি কি? লোকসংস্কৃতিৰ স্বৰূপ বিশ্লেষণ কৰা।

2. “লোকসংস্কৃতি জাতিৰ আত্মা” – এই উক্তিটো প্ৰাসংগিক উদাহৰণসহ বুজাই লিখা।

3. অসমৰ বিহু উৎসৱক কেন্দ্ৰ কৰি অসমীয়া লোকসংস্কৃতিৰ বৈচিত্ৰ্য বিশ্লেষণ কৰা।

4. লোককথাৰ জৰিয়তে সমাজৰ মূল্যবোধ কেনেদৰে প্ৰতিফলিত হয় – সাধু কথাৰ আধাৰত আলোচনা কৰা।

5. লোক-সংস্কৃতি কাক বোলে ? লোক-সংস্কৃতিৰ বৈশিষ্ট্য উল্লেখ কৰা।

6. মৌখিক সাহিত্য কাক বোলে ? মৌখিক সাহিত্যক কেইটা ভাগত ভাগ কৰিব পাৰি ? যিকোনো এটা ভাগৰ বিষয়ে আলোচনা কৰা।

7. বিবাহৰ লগত জড়িত লোকাচাৰ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

8. ব'হাগ বিহুৰ লগত জড়িত বিভিন্ন লোকাচাৰৰ বিশ্লেষণ কৰা।

9. অসমত প্ৰচলিত যিকোনো এবিধ লোকনৃত্যৰ বিষয়ে আলোচনা যুগুত কৰা।

10. অসমৰ মিচিং জনগোষ্ঠীৰ "আলি আয়ে লৃগাং" উৎসৱৰ লোকধৰ্মীয় আধাৰ বিশ্লেষণ কৰা।

11. গ্ৰাম্য অসমত প্ৰচলিত লোকচিকিৎসা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

12. ভৌতিক সংস্কৃতি সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

13. অসমৰ যিকোনো এটা লোককাহিনী লিখি তাৰ পৰা পোৱা শিক্ষা বা সামাজিক বাৰ্তা বিশ্লেষণ কৰা।

14. লোকবাদ্য যন্ত্ৰ (ঢোল, তাল, পেঁপা, গগনা) অসমীয়া লোকনৃত্যত কেনেদৰে ব্যৱহাৰ হয় – বিশ্লেষণ কৰা।

15. লোকগীতসমূহ কেনেদৰে সমাজৰ অৰ্থনৈতিক আৰু ভৌগোলিক পৰিৱেশৰ প্ৰতিফলন – উদাহৰণসহ লিখা।

16. বৰ্তমান যুগত লোকসংস্কৃতি সংৰক্ষণৰ বাবে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব পাৰি আলোচনা আগবঢ়োৱা।

17. ভৌতিক সংস্কৃতি কি কি উপাদান জড়িত থাকে সেই সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

১৮. লোক সংস্কৃতি অধ্যয়নৰ বিভিন্ন ক্ষেত্ৰ আৰু পদ্ধতিৰ বিষয়ে আলোচনা কৰা।

১৯. লোক সংস্কৃতি অধ্যয়ন ক্ষেত্ৰত ভৌগোলিক মতবাদ আৰু আদৰ্শগত পদ্ধতিৰ বিষয়ে আলোচনা কৰা।

২০. লোক-সংস্কৃতি অধ্যয়নত ক্ষেত্ৰ অধ্যয়নে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰে সেই সম্পৰ্কে আলোচনা কৰা।

২১. সংস্কৃতিৰ সংজ্ঞা লিখি সমাজ আৰু সংস্কৃতিৰ বিষয়ে আলোচনা কৰা।

২২. সংস্কৃতি বুলিলে কি বুজা? সংস্কৃতি আৰু সভ্যতাৰ মাজৰ পাৰ্থক্য লিখি এটি আলোচনা আগবঢ়োৱা।

২৩. সংস্কৃতি কি? সংস্কৃতিত সমন্বয় আৰু সমাহৰণ সম্পৰ্কে আলোচনা কৰা।

২৪.সংস্কৃতি কি? অসমৰ লোক-সংস্কৃতিৰ সাধাৰণ আভাস দাঙি ধৰা।

২৫.সংস্কৃতি কি? অভিজাত সংস্কৃতি আৰু জনজাতীয় সংস্কৃতি বিষয়ে এটি আলোচনা আগবঢ়োৱা।